# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-02-2026
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

ooooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে শিলচৰৰ ৰামনগৰৰ আই এছ্ বি টিত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ইপিনে, এই আঁচনিৰ অধীনত কালি শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। এই উপলক্ষে তেজপুৰৰ গড়দৌল কুমাৰগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি উদ্যোগীসকলৰ মাজত আঁচনিৰ ধনৰাশি বিতৰণ কৰে। সভাত উপস্থিত উদ্যোগীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে যিসকল উদ্যোগীয়ে এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত এক লাখ টকা লাভ কৰি ইয়াৰ সঠিক ব্যৱহাৰ কৰিছে তেওঁলোকে অতি সোনকালে দ্বিতীয় কিস্তিৰ এক লাখ টকাও লাভ কৰিব। প্ৰথম কিস্তিৰ ধন চৰকাৰক ঘূৰাই দিব নালাগে যদিও দ্বিতীয় কিস্তিৰ ধন ৫ বছৰৰ ভিতৰত চৰকাৰক ঘূৰাই দিব লাগিব বুলি তেওঁ কয়। অৱশ্যে ইয়াৰ বাবে হিতাধিকাৰীয়ে কোনো সুত দিব নালাগে বুলি তেওঁ প্ৰকাশ কৰে। আঁচনিখনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়।

*বাইট (চি এম)*

ooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। শ্ৰী শ্বাহ প্ৰথমে শিলচৰলৈ যাব। তাত তেওঁ আজি দিনৰ চাৰে ১০ বজাত কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাটিগড়াৰ নাটানপুৰ গাঁও পৰিদৰ্শন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে অবৈধ প্ৰব্ৰজন আৰু সীমান্তৰে চলা অপৰাধ নিয়ন্ত্ৰণৰ বাবে সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে শিলচৰৰ পৰা ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ ছহেজাৰ ৮৩৯ কোটি টকা ব্যয়সাপেক্ষে এই উদ্যমৰ জৰিয়তে সীমামূৱীয়া গাঁওসমূহক অত্যাধুনিক পথ, দূৰসংযোগ আৰু বহনক্ষম কৰ্মসংস্থাপনৰ সুযোগেৰে আত্মনিৰ্ভৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ooooooo

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ২০২১ বৰ্ষৰ পৰা ২০২৫ বৰ্ষলৈ ৰাজ্যত ৫ হাজাৰ ৪১২ খন বিদ্যালয় একত্ৰিকৰণ কৰা হৈছে। বিধানসভাৰ বাজেট অধিৱেশনৰ অন্তিম দিনা কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনত এই তথ্য প্ৰকাশ কৰি কয়, যে শিক্ষাসেঁতু এপ' প্ৰৱৰ্তন হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা এপ'ৰ জৰিয়তে নিৰ্ধাৰণ কৰা হয়। পূৰ্বতে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰণত একাধিক বিদ্যালয়ত নাম অন্তৰ্ভুক্ত কৰি ৰাখিছিল। শিক্ষাসেঁতু এপ' প্ৰৱৰ্তন হোৱাৰ পিছৰে পৰা এই ব্যৱস্থা নোহোৱা হোৱাত বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা কমি যোৱা যেন পৰিলক্ষিত হয়। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যোৱা বাবে সেই বিদ্যালয়সমূহক আন বিদ্যালয়সমূহৰ সৈতে একত্ৰিকৰণৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ কয়। আনহাতে ৰাজ্যৰ শিক্ষা বিভাগৰ অধীনৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা সঞ্চালকালয় তথা কাৰিকৰী শিক্ষা সঞ্চালকালয়ত মুঠ ৩২ হাজাৰ ৫২০টা শিক্ষক-কৰ্মচাৰীৰ পদ খালী হৈ থকাৰ তথ্যও তেওঁ প্ৰকাশ কৰিছে। ২০২১ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমান পৰ্যন্ত ৪০৮ খন মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে।

০০০০০০০

অম্রুত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ জিলাত পানীযোগান ব্যৱস্থাত নৱতম সংযোজন হিচাপে আজি দুটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হ'ব। জিলাখনৰ লক্ষীপুৰ নগৰৰ ২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা পানীযোগান প্ৰকল্পটো আজি উদ্বোধন কৰা হ'ব।

০০০০০০০

**সমাপ্ত**